দৈনিক অগ্ৰদূত

### ভাওনাত অভিনয় কৰাসকলক স্বীকৃতি দিবলৈও এচামে টান পায়

# তেজপুৰৰ ভাওনা শিল্পী দুল চন্দ্ৰ শইকীয়া

**অৰূপ কলিতা**

**ব্যস্ততা** আৰু দৈনদিন জীৱনৰ বিভিন্ন প্ৰত্যাহ্বানক নেওচিও ভাওনাৰ প্ৰতি থকা অভিনয় হাবিয়াসৰ বাবেই এখনৰ পাছত আনখন ভাওনাত অভিনয় কৰি গৈছে তেজপুৰৰ এজন প্ৰচাৰ বিমুখ ভাওনা শিল্পী দুল চন্দ্ৰ শইকীয়াই। ১৯৫৮ৰ দুই ছেপ্টেম্বৰত তেজপুৰৰ নিকটৱৰ্তী মিলনপুৰ শইকীয়া চুবুৰিত জন্মগ্ৰহণ কৰিছিল শইকীয়াই। পিতৃ প্ৰয়াত হৰকান্ত শইকীয়া আৰু মাতৃ পুতুলী শইকীয়াৰ গাঁৱৰ সমাজৰ স'তে ওতঃপ্ৰোত সম্পৰ্ক থকাৰ উপৰি প্ৰয়াত পিতৃ চুবুৰিৰ নামঘৰত অনুষ্ঠিত প্ৰতিটো ধৰ্মীয় তথা ব্যক্তি আছিল। এনে স্থলত নিজা কৃষ্টি-সংস্কৃতিৰ শইকীয়া নামঘৰৰ স'তেও জড়িত হৈ পৰিছিল। স্থানীয় প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সমাপ্ত কৰাৰ পাছত বিন্দুকুৰি হাইস্কুলত পঢ়ি থকা অৱস্থাত ১৬ বছৰ বয়সত মুখত ৰং সানি চুবুৰিৰ নামঘৰত প্ৰথমবাৰলৈ ভাওনাত অভিনয় কৰিছিল শইকীয়াই। ভাওনা সংস্কৃতিৰে জড়িত হৈ পৰা সেই স্মৃতি সোঁৱৰণ কৰি শইকীয়াই কয় যে সেই সময়ত তেওঁৰ সমনীয়াসকলে মিলি নিজা কলা-সংস্কৃতি তথা ঐতিহ্যক আমি যদি নিজেই নকৰো, আমাৰ ঐতিহ্য-সংস্কৃতি কোনে ধৰি ৰাখিব। ধাৰণাৰে এক সংকল্প গ্ৰহণ কৰা সেইসকল চেমনীয়াক যেতিয়া নামঘৰৰে জড়িত জ্যেষ্ঠসকলে ভাওনাত অভিনয়ৰ সুযোগ দিলে তেতিয়াই সেই সুযোগ গ্ৰহণৰ পৰা বিৰত নাথাকিল শইকীয়া। সেই প্ৰথমবাৰলৈ ভাওনাৰ সাজ পৰিধান কৰি মুখত ৰং সানি অভিনয় আৰম্ভ কৰা এইজন গ্ৰাম্য শিল্পীয়ে এই পৰ্যন্ত প্ৰায় অৰ্ধশতক বাৰ বিভিন্ন ভাওনাত অভিনয় কৰিছে। কেতিয়াবা যদি ৰজা-মহাৰজাৰ ভাৱত তেওঁ অভিনয় কৰিছে কেতিয়াবা আকৌ মন্ত্ৰী, ব্ৰাহ্মণ নাইবা দূতৰ ভাও ৰূপায়ণ কৰা শইকীয়াই অশ্বত্থামা, সেনাপতি নতুবা ভূৰি অৱাৰ অভিনয়ো কৰিছে। তেজপুৰৰ খৰা আটি, কেতেকীবাৰীকে ধৰি প্ৰায়বোৰ অঞ্চলতে অভিনয় কৰা শইকীয়াই শোণিতপুৰৰ ঠেলামৰা, বালিপৰা, হলেশ্বৰ, বিহুগুৰিৰ কলিতাগাঁও, পিঠা খোৱাৰ বৰনামঘৰতো অভিনয় কৰিছে। জিলাৰ বাহিৰত একাধিকবাৰ ভাওনাত অভিনয়ৰ সুযোগ লাভ কৰা এইজন শিল্পীয়ে ঘৰুৱা সমস্যা আৰু কৰ্ম ব্যস্ততাৰ বাবেই সেই সুযোগ ত্যাগ কৰিবলগীয়াও হৈছে। উল্লেখ্য ১৯৭৭ত ৰাজ্যিক পৰিবহণ নিগমৰ চাকৰিত যোগদান কৰা আৰু পৰৱৰ্তী সময়ত মাজগাঁৱৰ খৰা আটিৰ স্থায়ী বাসিন্দা হৈ পৰা শইকীয়াই ৰাজ্যিক পৰিবহণ নিগমত চলা তীব্ৰ সংকটৰ সময়ত ২০০২ত আন ১৭শ ৩০ গৰাকী কৰ্মচাৰীৰ লগতে চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিবলৈ বাধ্য হয়। এই সময়ত তীব্ৰ আৰ্থিক সংকটৰ সন্মুখীন হোৱা শইকীয়াই মাজগাঁও ৰত্নপুৰত এটা কোঠা ভাড়াত লৈ এখন দোকান আৰম্ভ কৰি পৰিয়ালৰ দায়িত্ব পালন কৰে। মৃদুভাষী এইজন শিল্পীয়ে ইয়াৰ মাজতেই বিভিন্ন ভাওনাত অভিনয় অব্যাহত ৰাখে। কেৱল অভিনয়েই নহয়, শিল্পী শইকীয়াই কাঠৰে বিভিন্ন ভাস্কৰ্যও নিৰ্মাণ কৰিব পাৰে। অসম গৌৰৱ এশিঙীয়া গঁড়, ভাটো জাপি, আঙুৰৰ থোপাকে ধৰি বিভিন্ন ফুল তথা ঘৰত সজাৰ পৰা সামগ্ৰী কাঠত দৃষ্টিনন্দনভাৱে কাটিব পৰা কাৰ্য শিল্পীজনৰ স্বতঃস্ফূৰ্ত প্ৰতিভাৰ অন্যতম স্বাক্ষৰ। ভাওনাত অভিনয় কাঠৰ ভাস্কৰ্য নিৰ্মাণ আদি কোনো ব্যক্তি বিশেষৰ পৰা শিকাৰ সলনি চাই দেখিয়েই শিকা শিল্পীজনৰ মতে সকলো ক্ষেত্ৰতে মানুহৰ কাৰ্য ক্ষেত্ৰত অভিজ্ঞতাহে মূল কথা। যিমানেই প্ৰশিক্ষণ নতুবা শিক্ষা গ্ৰহণ নকৰক কিয় সকলোকে বাস্তৱিক অভিজ্ঞতাৰ প্ৰয়োজন হ'বই বুলি মন্তব্য কৰা শিল্পী শইকীয়াই লগতে কয় 'মই যিসকলক দেখি অভিনয় বা ভাস্কৰ্য নিৰ্মাণৰ পথত আগবাঢ়িলো, সেই সকলোৱেই মোৰ গুৰু। ভাওনাত ব্যৱহৃত বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰা এইজন শিল্পীয়ে ভাওনাত কৰা অভিনয়ক এক পৱিত্ৰ কলা বুলি মন্তব্য কৰি কয় যে এখন ভাওনাত অভিনয় কৰোঁতে কিছুমান নিয়ম মানি চলাতো নিতান্তই প্ৰয়োজন।' ভাওনাৰ প্ৰতিটো চৰিত্ৰৰে সাজ-পাৰ, বেশ-ভূষা, প্ৰসাধনৰ ক্ষেত্ৰত কিছু নিয়ম থকাৰ কথা প্ৰকাশ কৰি শইকীয়াই লগতে কয় যে এতিয়া বহুতেই এনে নিয়মৰ সলনি আধুনিকতাক প্ৰশ্ৰয় দিছে। এজন ভাৱৰীয়াই এদিন পূৰ্বে লঘোন দি ভাওনাৰ দিনত নিৰামিষ আহাৰ গ্ৰহণ কৰিছে অভিনয় কৰাৰ কথা প্ৰকাশ কৰি শিল্পী শইকীয়াই কয় যে তেওঁ লগ পোৱা বহুকেইজন ভাৱৰীয়াই এতিয়াও দুদিন উপবাসে থাকিহে অভিনয় কৰে যদিও একাংশ আকৌ সুৰামত্ত হৈ পৰে বুলিও আক্ষেপ প্ৰকাশ কৰে। সুৰাৰ অত্যধিক প্ৰচলনে সমাজ সংস্কৃতি সকলোৰে ক্ষতি কৰা বুলি কোৱা শিল্পী শইকীয়াৰ পত্নীৰ আকস্মিক বিয়োগৰ পাছৰে পৰা অভিনয়ত যতি পৰিছে। শোক, ঘৰুৱা দায়িত্ব কৰ্ম ব্যস্ততাৰ বাবে নিজে অভিনয় নকৰিলেও সতীৰ্থ ভাৱৰীয়াৰ সাজ-পোছাক পৰিধান কৰাকে ধৰি ভাওনাৰ পৰিচালনাত আন্তৰিকতাৰে সহযোগিতা আগবঢ়াই অহা এইজন গ্ৰাম্য শিল্পীয়ে শেষত কয় 'ভাওনা আমাৰ ধৰ্মীয়েই হওক বা পৰম্পৰাই হওক, মুঠতে সংস্কৃতিৰ এক অমূল্য সম্পদ তথা ঐতিহ্য। ভাওনাত অভিনয় কৰা গ্ৰাম্য শিল্পীসকলৰ অৱস্থাও শোচনীয় নাইবা তেওঁলোকে বহু ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়। কিন্তু এইসকল অভিনয় শিল্পীক কিন্তু এতিয়া বহুতেই শিল্পীৰ স্বীকৃতি প্ৰদানতো কৃপণালি কৰে বা আনে সেই স্বীকৃতি প্ৰদান কৰিলেও সহ্য কৰিবলৈ টান পায়।

> **'মই যিসকলক দেখি অভিনয় বা ভাস্কৰ্য নিৰ্মাণৰ পথত আগবাঢ়িলো, সেই সকলোৱেই মোৰ গুৰু। ভাওনাত ব্যৱহৃত বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰা এইজন শিল্পীয়ে ভাওনাত কৰা অভিনয়ক এক পৱিত্ৰ কলা বুলি মন্তব্য কৰি কয় যে এখন ভাওনাত অভিনয় কৰোঁতে কিছুমান নিয়ম মানি চলাতো নিতান্তই প্ৰয়োজন'**

### দৰিদ্ৰতাৰ বোজা কঢ়িয়াই এতিয়া পদপথৰ শিল্পীৰূপে জীৱন সংগ্ৰামত ব্ৰতী

# মানৱীয় প্ৰমূল্যবোধৰ এজন দৰদী শিল্পী

**বুবুল কুমাৰ শৰ্মা**

**নলবাৰী** জিলাখনৰ চহৰে-নগৰে, গাঁৱে-ভূঞে এটা বাঁহী আৰু এটা দোতাৰা লৈ ৰাইজক ক্ষণিক সময়ৰ বাবে মনোৰঞ্জন দিয়া মানুহজন এতিয়া ক্লান্ত। শূন্য দূৰত্বটো দেখা নোপোৱা এজন ব্যক্তি। নলবাৰী জিলাৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত পাটিকাৰা গাঁৱৰ প্ৰয়াত হৰমোহন শৰ্মা আৰু নিৰদা দেৱীৰ পুত্ৰ প্ৰমোদ শৰ্মা এটা সুন্দৰ কণ্ঠৰ অধিকাৰী। জীৱন-জীৱিকাৰ বাবে কণ্ঠৰ ব্যৱহাৰ কৰি তেওঁ ৫২টা বছৰে চ'ক বজাৰ, গছৰ তলত অথবা বাছ আস্থানত গীত গায় পথচাৰীক আনন্দ দিয়াৰ চেষ্টা কৰে। কেতিয়াবা দুই-এক দয়ালু পথচাৰীয়ে দুই-এক টকা দয়াৰ দৃষ্টিৰে হাতত গুজি দিয়ে। তেওঁ ভিক্ষা বুলি নাভাবি গীতৰ লয়-তাল আৰু সুৰৰ মূৰ্ছনাত আপ্লুত হৈ পুৰস্কাৰ দিয়া বুলিয়ে গ্ৰহণ কৰে। সুন্দৰ লোকগীতৰ শিল্পী যদিও অন্ধ হোৱা শৰ্মাই মঞ্চত উঠি কোনো অনুষ্ঠানত গীতৰ শৰাইত অংশ ল'ব নোৱাৰে। সম্প্ৰতি নলবাৰী জিলাৰ পশ্চিম নলবাৰী অঞ্চলৰ নিজতাপা গাঁৱৰ বাসিন্দা শৰ্মাই জীৱনৰ খলা-বমাক হাঁহি হাঁহি গ্ৰহণ কৰিছে। পৃথিৱীৰ সাতোৰঙী ৰং, সৌন্দৰ্য, নিশাৰ তৰা ভৰা আকাশ, পূৰ্ণিমাৰ তামবৰণীয়া জোনাক ৰাতি, পথাৰৰ সেউজীয়া, আঘোণৰ সোণবৰণীয়া লখিমী পথাৰ, পিতৃ-মাতৃৰ দৰিদ্ৰতাৰে আৱৰা মুখ, সমনীয়া, নিজৰ গাঁও পাটিকাৰাৰ আলি-পদূলি, সমনীয়া বন্ধু-বান্ধৱী, ওচৰৰ টিহু নদীত সমনীয়াৰ সাঁতোৰা, ৰবাব টেঙাৰ ফুটবল খেলা আদি শৈশৱৰ সকলো সুস্থভাৱে কৰি গৈছিল তেওঁ। ১৭ বছৰ বয়সত টাইফয়ড জ্বৰত আক্ৰান্ত হৈছিল। উন্নত চিকিৎসাৰ অভাৱৰ ফলতে মৃত্যুসম যন্ত্ৰণাৰ মাজেৰে দৰিদ্ৰ পৰিয়ালৰ শেতেলিতে পৰি গাঁৱলীয়া বেজ-বেজালি আৰু বন দৰবৰ সহায়ত শৰ্মাৰ জীৱন ৰক্ষা পৰিল যদিও চিৰদিনৰ বাবে দুয়োটা চকুৰ দৃষ্টি হেৰুৱাই পেলালে। ১৭ বছৰ ধৰি এখন সুন্দৰ ৰঙীন পৃথিৱীৰ বুকুৰ পৰা তেওঁ গতি কৰিলে এখন অন্ধকাৰ জগতলৈ। যি বয়সত সমনীয়াৰ স'তে ৰং-ৰহইচ, খেল-ধেমালি কৰি ধিতিঙালি কৰি ফুৰা সমনীয়াৰো শৰ্মাৰ পৰা দূৰত্ব বাঢ়িল। এডাল শুকান বাঁহৰ লাঠিকে সাৰথি কৰি তেওঁ যুঁজি গ'ল জীয়াই থাকিবলৈ নিজৰ মাজতে। জন্মসূত্ৰে লাভ কৰা সুন্দৰ-সুললিত কণ্ঠ ব্যৱহাৰ কৰি টিহুৰ ৰেল ষ্টেছনতে হাতত দোতাৰাটো লৈ সুৰ দিলে 'অ' পখী ৰৈয়া ৰে, পখী ৰৈয়া যা ৰে' লোকগীতত। দৰিদ্ৰতাৰ বোজা কঢ়িয়াই দিগন্তক লক্ষ্য কৰি সুস্থ সমাজ গঢ়াৰ সপোনক বুকুত বান্ধি প্ৰমোদ শৰ্মাই ৰেল ষ্টেছন, বজাৰ, বাছ আস্থান আদিত সুৰৰ যাদুৰে পথচাৰীৰ দয়াৰ পাত্ৰ হৈ এটকা-দুটকাৰে দুবেলা-দুসাঁজৰ চিন্তা কৰি গ'ল। এনেদৰে ৰাইজৰ মাজত এজন মানুহ হৈ থাকি টিহু, বৰমা, নলবাৰী আদি কৰি লাখুটিৰ সহায়ত জীৱনযাত্ৰাত সময়তে শৰ্মা নিৰ্ভৰশীল লাখুটি হৈ আগবাঢ়ি আহিল লক্ষ্মী দাস নাথ ছোৱালী এগৰাকী। শৰ্মাৰ আৰম্ভ হ'ল নতুন যাত্ৰা। প্ৰতিমা পাণ্ডে, ৰামচৰণ পাঠক, ধনদা পাঠককে ধৰি লোকগীতৰ শিল্পীৰ গানকে আঁকোৱালি লৈ শৰ্মাই গাই গ'ল এটাৰ পাছত এটা গান জীৱন-জীৱিকাৰ বাবে। শৰ্মাৰ কণ্ঠৰ পৰা ওলাই অহা লোকগীত, বনগীত, দেহ বিচাৰৰ গীতৰ সুৰ কোনোবাই দূৰৰ পৰা শুনিলেও সি তেওঁৰ ওচৰ চাপি আহিবই লাগিব।

শিল্পীজন এতিয়া ৫২ বছৰীয়া হ'ল। তেওঁৰ দোতাৰাৰ সুৰ-বাদ্যৰ লগতে কণ্ঠক বয়সে আঁচুৰিব পৰা নাই। জীৱন যুঁজৰ সেনানী হৈ শৰ্মাই দুটা সন্তানৰ পিতৃত্বৰ গৌৰৱৰ অধিকাৰী। মৰম লগা ছোৱালীজনীক সমাজৰ মান-মৰ্যাদাৰে সংসাৰ কৰি দিছে। ল'ৰাকো সংস্থাপনৰ ব্যৱস্থা কৰি দিছে।

১৯৮২ৰ পৰা পথৰ শিল্পী হিচাপে আত্মনিয়োগ কৰা শৰ্মাৰ কণ্ঠ আজি স্পষ্ট, আজিও দিনৰ দিনটো বোকোচাত বাদ্যৰ টোপোলা লৈ গছৰ তলত মৰমীৰ সাত কণ্ঠ সংগত কৰি জীৱন যুঁজত ব্ৰতী হৈ আছে। দ্বীপেন বৰুৱা, জে পি দাস, পুলক বেনাৰ্জী, জয়ন্ত হাজৰিকা আৰু ড° ভূপেন হাজৰিকাৰ গানত আজিও শৰ্মাই সুৰ বুলি অন্ধ চকুৰে চকুলো টুকি আমাক কৈছিল, 'সমাজৰ চকুত পথপদৰ ভিক্ষাৰী শিল্পীৰূপেহে চিনাকি দিলো। স্বীকৃতি নাপালো। সমাজৰ বাবে নহয় নিজৰ বাবেহে শিল্পীত্ব জীৱন বাছি ল'লো জীয়াই থকাৰ বাবে। এটা ব্ৰেণ্ডৰ পৰিকল্পনা কৰি মিউজিক ষ্টুডিঅ'ত গান গোৱাৰ সপোন ৰচিছিলো। নহ'ল। পদপথৰ গছৰ তলতে সেয়া তৈয়াৰ কৰি নিজক সংগীতৰ বুকুত বিলাই দিলো।'

# গীত-নৃত্যৰ শিল্পী গীতা হাজৰিকা

**জয়ন্ত হাজৰিকা**

**লোক** কৃষ্টিৰ সাধনাৰে সংস্কৃতিৰ বিশাল ক্ষেত্ৰখন আজিও সজীৱ কৰি ৰখা গীত-নৃত্যৰ একনিষ্ঠ এগৰাকী শিল্পী গীতা হাজৰিকা। ঘৰ গোলাঘাট নগৰৰ নতুন আমোলাপট্টিৰ পূৰ্বাঞ্চল পথত। ১৯৫৮ত দেৰগাঁৱৰ কমাৰগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে শৈশৱৰ সোণোৱালী সময়ৰ পৰাই বিষ্ণু সংগীত, জ্যোতিসংগীত, ভূপেন্দ্ৰ সংগীত আদি সুন্দৰ কণ্ঠত পৰিৱেশন কৰি শ্ৰোতা-দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰি আহিছে। শিল্পীগৰাকীৰ স্বামী চন্দন হাজৰিকা এজন কলা-সংস্কৃতিৰ ভাল পোৱা ব্যক্তি। তেওঁৰ অনুপ্ৰেৰণাতে শিল্পীগৰীকয়ে আজিও এই যাত্ৰা অব্যাহত ৰাখি আহিছে। অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহুত শিল্পী হাজৰিকাই এফাকি বিহু গীত গালেই আৰু বিয়াঘৰত এফাকি বিয়া নাম জুৰিলেহে মনত আনন্দ লাভ কৰে। কেৱল বিহুতলীত আৰু বিয়াঘৰত লোক সংগীত পৰিৱেশন কৰি ক্ষান্ত থকা নাই। বিয়ানাম আৰু বিহুগীতৰ প্ৰতিযোগিতাত যোগদান কৰি হাজৰিকাই প্ৰথম পুৰস্কাৰ লাভ কৰি আহিছে। লগতে গোলাঘাট জিলাখনৰ বিভিন্ন মঞ্চত বিয়া নাম, দিহানাম আৰু বিহু প্ৰতিযোগিতাত নিৰপেক্ষভাৱে বিচাৰকৰ আসন অলংকৃত কৰি আহিছে। শিল্পী হাজৰিকাৰ নৃত্য জগতখনতো এটা চিনাকি আছে। গোলাঘাট জিলাখনৰ উপৰি অসমৰ ভিন্ন প্ৰান্তৰত নিখুঁত ৰূপত কৃষ্ণ নৃত্য, সূত্ৰ নৃত্য, ওজাপালি, চালি নৃত্য আৰু সত্ৰীয়া নৃত্য পৰিৱেশন কৰি বিশেষ সন্মান লাভ কৰিবলৈ সক্ষম হৈ আহিছে। তেওঁৰ এই নৃত্যসমূহৰ আদ্য গুৰু আছিল নৃত্য বিশাৰদ যতীন গোস্বামী আৰু প্ৰয়াত দেবেন ভট্ট। আনহাতে, হাজৰিকাৰ দিহানাম আৰু সৃষ্টিশীল নৃত্যতো দখল আছে। অভিনয় ক্ষেত্ৰতো বিশেষ পাৰদৰ্শিতা থকা হাজৰিকাই সৰ্বভাৰতীয় গ্ৰামীণ মহিলা সংঘৰ গোলাঘাটৰ উদ্যোগত সুদূৰ পঞ্জাৱ, বেনাৰস, পুনে, দিল্লী, ওড়িছা, ঔৰংগাবাদ আদি ঠাইত একাংক আৰু পূৰ্ণাংগ নাটকত সাৱলীল ৰূপত অভিনয়ৰ চৰিত্ৰসমূহত সফল ৰূপায়ণ কৰি জনপ্ৰিয়তা অৰ্জন কৰিছে। ইয়াৰ উপৰি অভিনেত্ৰী-গায়িকা তথা নৃত্য শিল্পীগৰাকীয়ে শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ কংসবধ নাটত দৈৱকী আৰু মোহিনী চৰিত্ৰত এক বাস্তৱিক অভিনয় পৰিৱেশন কৰি দৰ্শকৰ পৰা বিশেষ সমাদৰ পাই আহিছে।

# পৰিৱেশ্য কলাৰ যশস্বী শিল্পী বলোৰাম বৈশ্য

**অসমীয়া সংস্কৃতিৰ বৰপথাৰখনো স্বকীয় সৌন্দৰ্যৰে উদ্ভাসিত। পৰিৱেশ্য কলাৰ সমাহাৰে এই সৌন্দৰ্য আৰু কে'বাগুণে বৃদ্ধি কৰিছে। অসমৰ পৰিৱেশ্য কলাৰ এক অপৰূপ অংগ হৈছে নাগাৰা নাম।**

**ভাৰ্গৱ কলিতা**

**সংস্কৃত** হৈছে এটা জাতিৰ বুনিয়াদ। সংস্কৃতিৰ বুকুতেই গঢ় লৈ উঠে এটি জাতিৰ স্বকীয় শৈলী, স্বাভিমান আৰু পৰম্পৰা। অসমীয়া সংস্কৃতিৰ বৰপথাৰখনো স্বকীয় সৌন্দৰ্যৰে উদ্ভাসিত। পৰিৱেশ্য কলাৰ সমাহাৰে এই সৌন্দৰ্য আৰু কে'বাগুণে বৃদ্ধি কৰিছে। অসমৰ পৰিৱেশ্য কলাৰ এক অপৰূপ অংগ হৈছে নাগাৰা নাম। নাগাৰা নাম হৈছে এনে এটি ধৰ্মীয় পৰিৱেশ্য কলা য'ত মূলতঃ ভগৱানৰ নাম মহিমাৰ গুণানুকীৰ্তন কৰাৰ জৰিয়তে জনসাধাৰণক ভগৱদ্ চেতনামুখী কৰিবলৈ প্ৰযত্ন কৰা হয়। এনে এক উচ্চমানসম্পন্ন কলাৰ স'তে জড়িত এজন শিল্পী হৈছে বলোৰাম বৈশ্য। সদৌ অসম নাগাৰা নাম সংঘৰ উপ সভাপতি পদত কৰ্তব্যৰত শিল্পী বলোৰাম বৈশ্যৰ জন্ম হৈছিল ১৯৫৫ৰ এক এপ্ৰিলত দৰং জিলাৰ হুছেইন চুবুৰ গাঁৱৰ এটি সংস্কৃতিবান আৰু ঈশ্বৰ ভক্ত পৰিয়ালত। ১৯৬৬ত 'শেষ নামাজ' নামৰ নাটকখনিত শিশু শিল্পী হিচাপে অভিনয় কৰি সংস্কৃতিৰ সোণোৱালী যাত্ৰাত খোজ পেলোৱা শিল্পী বলোৰাম বৈশ্যই নাগাৰা নামৰ আদিপাঠ গ্ৰহণ কৰে পিতৃ ৰতিকান্ত বৈশ্যৰ পৰা। ১৯৭১ত প্ৰথম নাগাৰা বাদক হিচাপে আত্মপ্ৰকাশ কৰা বৈশ্যই নিজস্ব সাধনা, ৰাইজৰ আশীৰ্বাদ আৰু ভগৱানৰ কৃপাত কম সময়তে সুদক্ষ নাগাৰা নামৰ পাঠক হিচাপে নিজকে গঢ় দিয়ে। নাগাৰা নামৰ সকলো ব্যাকৰণিক দিশ আৰু মৰ্যাদা অক্ষুণ্ণ ৰাখি তেখেতে যথাৰ্থ ৰূপত নাম প্ৰদৰ্শন কৰিছিল। ৭০ আৰু ৮০ দশকত তেওঁৰ নামৰ সাৱলীল প্ৰদৰ্শনৰ কথা এতিয়াও ৰাইজে একেমুখে স্বীকাৰ কৰে। ১৯৮৬ৰ কথা— 'সদৌ অসম নাগাৰা নাম সংঘ'ৰ পৃষ্ঠপোষকতাও এটি নাগাৰা নামৰ দল গঠিত হৈছিল। উক্ত দলত পাঠক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল শিল্পী বৈশ্যই। ১৯৮৭ এই দলটিয়ে সম্পূৰ্ণ শুদ্ধশৈলী আৰু যথাযথ ৰূপত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত নাগাৰা নাম প্ৰদৰ্শন কৰি সাধাৰণ জনতা আৰু বিদ্বানসকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে নাগাৰা নামৰ উপৰি আন কে'বাটাও সাংস্কৃতিক দিশত তেওঁৰ অনবদ্য প্ৰতিভা দেখুৱাবলৈ সক্ষম হৈছে। তেওঁ এজন বলিষ্ঠ অভিনেতা। ভ্ৰাম্যমাণ থিয়েটাৰ, দূৰদৰ্শনৰ ধাৰাবাহিক, কথাছবি আদি বিভিন্ন দিশত বলিষ্ঠ অভিনয়ৰে কলাপ্ৰেমী ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেওঁৰ অক্লান্ত পৰিশ্ৰমত গঢ়ি উঠিছিল 'আলোক থিয়েটাৰ'; কিন্তু দুৰ্ভাগ্যজনকভাৱে অসম আন্দোলনৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ বাবে নাট্য দলটি কলিতেই মৰহি গ'ল। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ যুৱবাণী অনুষ্ঠানৰ স্বীকৃত লোকগীতৰ শিল্পী আছিল বহুমখী প্ৰতিভাৰ অধিকাৰী বলোৰাম বৈশ্য। পুনৰ আহিছো নাগাৰা নাম প্ৰসংগলৈ। 'সদৌ অসম নাগাৰা নাম সংঘ'ৰ প্ৰশিক্ষক হিচাপে বলোৰাম বৈশ্যই অসমৰ বিভিন্ন প্ৰান্তত নাগাৰা নামৰ কৰ্মশালাৰ জৰিয়তে উচ্চস্তৰৰ পৰিৱেশ্য কলাবিধৰ স্বকীয়তা ৰক্ষাৰ দিশত যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। শাস্ত্ৰ অধ্যয়নত গভীৰ মনোনিবেশ কৰা যশস্বী শিল্পীগৰাকীয়ে এতিয়ালৈকে প্ৰায় ডেৰকুৰি নাগাৰা নাম উপহাৰ দিছে। তেওঁৰ স'তে সাম্প্ৰতিক সময়ত নাগাৰা নামৰ বিভিন্ন বিভিন্ন প্ৰত্যাহ্বানৰ কথা আলোচনা কৰোঁতে তেওঁ দুখেৰে কৈছিল—'পেৰডী গীতৰ প্ৰৱেশ, অত্যাধিক নাটকীয়তা, শাস্ত্ৰত নথকা কিছুমান মনেসজা উপকথাৰ সৃষ্টি আদি বিভিন্ন নাগাৰা নাম সংঘৰ সংবিধানৰ পৰিপন্থী বিষয়ৰ সমাহাৰ ঘটি নামৰ দৰে এটি মহান কলাক বিকৃত কৰিছে। এনেকুৱা অপভ্ৰংশৰ পৰা নাগাৰা নামক উদ্ধাৰ কৰি শুদ্ধ আৰু পৰিমাৰ্জিত ৰূপত নাগাৰা নামৰ প্ৰচাৰ প্ৰসাৰ কৰাৰ বাবে কলাৰ সাধক, পৰিৱেশ্য কলাৰ যশস্বী বলোৰাম বৈশ্যই যি অহোপুৰুষাৰ্থ কৰি আছে, সেয়াই সঁচাই প্ৰশংসনীয়।

# জীৱনৰ বিমূৰ্ত ছবি কেনভাছত আৱদ্ধ কৰি ভালপোৱা চিত্ৰশিল্পী অঞ্জন ৰয়

**দীপাংকৰ দাস**

**ছবিৰ** দ্বাৰা মনৰ অনুভৱ প্ৰকাশ কৰি ভাল পায় চিত্ৰশিল্পীজনে। প্ৰতি মুহূৰ্ততে জীৱনৰ বিমূৰ্ত ৰূপৰ সন্ধান কৰি ফুৰা, ছবিৰে কথা ক'ব খোজা এইজন চিত্ৰশিল্পী বাগ্‌সা জিলাৰ গোৰেশ্বৰ চহৰৰ পুৰাণ বাজাৰ নিবাসী অঞ্জন ৰয়। ১৯৮৭ত গোৰেশ্বৰত জন্মগ্ৰহণ কৰা অঞ্জনৰ পিতৃ সুৰেণ চন্দ্ৰ ৰয় আৰু মাতৃ প্ৰয়াত আলো ৰয়। বেঙেনাহাটী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা, গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মজলীয়া আৰু হাইস্কুলীয়া শিক্ষা লাভ কৰি গোৰেশ্বৰ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হয় অঞ্জন। ইয়াৰ পাছত কোকৰাঝাৰ মিউজিক এণ্ড ফাইন আৰ্টছ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি শেহতীয়াকৈ কলকাতাৰ কল্যাণী বিশ্ববিদ্যালয়ৰ পৰা এম এফ এ অৰ্থাৎ মাষ্টাৰ অৱ ফাইন আৰ্টছত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে অঞ্জনে।

সৰুৰে পৰা ছবি আঁকি বিশেষ ভালপোৱা অঞ্জনে ছবিৰ মাধ্যমেৰে জীৱনত আগুৱাই যোৱাৰ সপোন ৰচিছিল। চতুৰ্থ শ্ৰেণীত পঢ়ি থকাৰ সময়ত এবাৰ গাছবাৰীত 'ৰ'দালি' অনুষ্ঠানৰ চিত্ৰাংকন প্ৰতিযোগিতাত ভাগ লৈ পুৰস্কাৰ লাভ কৰি উৎসাহিত হোৱাৰে পৰা ছবিত বিশেষ মনোযোগ দিবলৈ আৰম্ভ কৰে। তেওঁৰ ককাদেউতাক প্ৰয়াত কামিনী সাগৰ ৰয় আছিল এজন পেইণ্টাৰ। তেওঁৰ কৰ্মৰাজিয়েও চিত্ৰশিল্পৰ জগতখনত আগুৱাই যাবলৈ অঞ্জনক উৎসাহিত কৰিছিল। সুকুমাৰ কলাৰ অধ্যয়ন কৰি থকা অঞ্জনৰ 'মেজৰ' বিষয় আছিল পেইণ্টিং। এবষ্ট্ৰাক অৰ্থাৎ বিমূৰ্ত চিত্ৰৰ জৰিয়তে মনৰ ভাৱ কেনভাচ ফুটাই তুলি ভাল পোৱা অঞ্জনৰ চিত্ৰকৰ্মই যথেষ্ট সমাদৰ লাভ কৰিছে কলাপ্ৰেমীৰ মাজত। তেওঁৰ কে'বাখনো স্থিৰ চিত্ৰ ৰাষ্ট্ৰীয় পৰ্যায়তো জিলিকি উঠিছে। চিত্ৰশিল্পীজনৰ কে'বাটাও উচ্চমান বিশিষ্ট '৩ডি আৰ্ট ৱাৰ্কে' ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। গোৰেশ্বৰ অঞ্চলৰ কে'বাখনো পূজা মণ্ডপত কৰা শিল্পীজনৰ ৩ডি চিত্ৰকৰ্মই ইতিমধ্যে দৰ্শকক আকৃষ্ট কৰিছে। কঠোৰ পৰিশ্ৰম আৰু অধ্যাৱসায়ৰ ফলত অঞ্জনে বৰ্তমান চিত্ৰশিল্পীসকলৰ লগতে অসমৰ পেইণ্টিং জগতখনত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। কলকাতাৰ কল্যাণী বিশ্ববিদ্যালয়ৰ পৰা ২০১৪ত পেইণ্টিং কৰ্মশালাত ভাগ ল'বলৈ সক্ষম হৈছিল চিত্ৰশিল্পীজনে।

চিত্ৰশিল্পৰ জগতখনৰ অভিজ্ঞতা লাভ কৰা অঞ্জনে বহুকেইটা পুৰস্কাৰো বুটলিবলৈ সক্ষম হৈছে। ২০০৭ত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত 'কমানডেচন এৱাৰ্ড' লাভ কৰে। ২০১০ত নলবাৰীত আয়োজিত প্ৰতিভা নৰ্থ-ইষ্ট ৰাজ্যিক চিত্ৰ প্ৰদৰ্শনীত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। এককভাৱে কে'বাখনো চিত্ৰ প্ৰদৰ্শনী আয়োজিত কৰি ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিছে অঞ্জনে। ২০০৮ত পঞ্চম ৰাষ্ট্ৰীয় জুনিয়ৰ আৰ্টিষ্টৰ নিৰ্বাচিত চিত্ৰ প্ৰদৰ্শনীত অঞ্জনৰ চিত্ৰই বিশেষ সমাদৰ লাভ কৰে। উক্ত বৰ্ষতে যোৰহাটত আয়োজিত পঞ্চম ওংকাৰ আৰ্ট কনটেষ্ট প্ৰদৰ্শনীতো অংশগ্ৰহণ কৰে। ইপিনে, তেওঁ ২০০৮ত গুৱাহাটীত আয়োজিত পঞ্চম নৰ্থ ইষ্ট ৰাজ্যিক চিত্ৰ প্ৰদৰ্শনীতো অংশগ্ৰহণ কৰে। অঞ্জনে ২০১২ত এখন আৰু ২০১৩ত দুখন একক চিত্ৰ প্ৰদৰ্শনী গুৱাহাটীৰ ৰাজ্যিক আৰ্ট গেলাৰীত আয়োজিত কৰি চিত্ৰমোদীৰ বিশেষ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। ২০১২ত দ্বৈতভাৱেও ৰাজ্যিক আৰ্ট গেলাৰীত অঞ্জনৰ চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। আনহাতে, দলীয়ভাৱে ২০০৯ত বঙাইগাঁৱত জিনিয়াছ গ্ৰুপ মুকলি চিত্ৰ প্ৰদৰ্শনী আৰু ২০১০ ত নলবাৰীত জিনিয়াছ গ্ৰুপ মুকলি চিত্ৰ প্ৰদৰ্শনীত শিল্পীজনে অংশগ্ৰহণ কৰে। ২০১৪ত কলকাতাৰ কল্যাণী বিশ্ববিদ্যালয়ৰ গেষ্ট হাউছত আন এখন ছবিৰ প্ৰদৰ্শনী আয়োজিত কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ২০১৪ আৰু ২০১৫ত কলকাতাৰ একাডেমী অৱ ফাইন আৰ্টছ গেলাৰীতো এককভাৱে চিত্ৰ প্ৰদৰ্শনী আয়োজিত কৰে অঞ্জনে। বৰ্তমান বাইহাটা চাৰিআলিৰ বি এড মহাবিদ্যালয়ত সুকুমাৰ কলা বিষয়ৰ সহকাৰী অধ্যাপকৰূপে দায়িত্ব পালন কৰি থকা অঞ্জনে বৃহত্তৰ গোৰেশ্বৰ অঞ্চলত নতুন ছাত্ৰ-ছাত্ৰীক পেইণ্টিঙৰ শিক্ষাদানেৰে আগুৱাই নিয়াত নিজকে ব্যস্ত ৰাখিছে। তেওঁ বিশ্বাস কৰে যে ৰং-তুলিকাৰে নতুন প্ৰজন্মৰ মনবোৰৰ লগতে জগতখনো ধুনীয়া কৰিব পাৰি।

# ঢুলীয়া শিল্পী জিতেন শইকীয়া

**ভৱানন্দ কলিতা**

**বোকাখাত** নগৰৰ সমীপৰে এখন গাঁও চিপাহীগাঁও। এইখন গাঁৱৰে নিবাসী প্ৰয়াত ঠগীৰাম শইকীয়াৰ পুত্ৰ জিতেন শইকীয়া। কৃষিকৰ্ম, সৰু-সুৰা ব্যৱসায় কৰি জীৱিকা নিৰ্বাহ কৰে। পত্নী আৰু দুগৰাকী কন্যা সন্তান। পত্নী এখন বিদ্যালয়ৰ অবৈতনিক শিক্ষয়িত্ৰী। নৱম শ্ৰেণীলৈ শিক্ষা লাভ কৰা জিতেন শইকীয়াৰ বৰ্তমান বয়স ৫৯ বছৰ। সংসাৰখন কোনোমতে চলাই আছে। কিন্তু তেওঁ এজন ঢুলীয়া শিল্পী ওজা, টোকাৰী-দোতাৰা-খোল-তাল-বাঁহী বজোৱাত দক্ষ শিল্পী। কণ্ঠও সুন্দৰ। বোকাখাত মহকুমা প্ৰশাসনে বিগত বৰ্ষত ৰাজহুৱা খেলপথাৰত স্বাধীনতা দিৱসক সম্বৰ্ধনা জনাইছে। বিভিন্ন ঠাইত ঢোল বাদন কৰিছে। অসমৰ বিভিন্ন ঠাইৰ উপৰি ৰাজ্যখনৰ বাহিৰলৈ গৈছে জিতেন শইকীয়া। কিন্তু আনুষ্ঠানিক শিক্ষা নথকাত প্ৰাপ্য স্বীকৃতিও পোৱা নাই।

শইকীয়াই ঢোলৰ হাত আদিৰ ওপৰত এখন গ্ৰন্থও লিখিছে (পাণ্ডুলিপি অৱস্থাত আছে) নিজৰ অভিজ্ঞতাৰ পৰা এইখন লিখি উলিয়াইছে। শিশু কালৰে পৰা ঢোলৰ প্ৰতি আকৰ্ষিত হয়। প্ৰয়াত টেপুৰাম ওজাৰ পৰা ঢোল শিকে। পাছলৈ কুৰুৱাবাহীৰ ধনেশ্বৰ ওজাৰ পৰাও শিকে। টেপুৰাম ওজাৰ লগত তাল বজাবলৈ দেৰগাঁৱলৈ গৈছিল এখন বিয়াত। বিয়াখন আছিল মণ্ডল গাঁৱৰ পৱন হাজৰিকাৰ। সেয়াই প্ৰথম তাৰ পাছত বিভিন্ন ঠাইত বজাবলৈ লয়। ডিফু, কৰিমগঞ্জ, গুৱাহাটী, শিৱসাগৰ, দুলীয়াজান, তেজপুৰ, ডিব্ৰুগড়, বদৰপুৰ, ঢেকিয়াজুলি আদি বহুতো ঠাইত। টকা-পইচা সামান্য পায়। কিন্তু সংস্কৃতিৰ প্ৰৱল নিচাত গাঁঠিৰ ধন ভাঙিও যায়। তেওঁৰ ৪০ খন ঢোলৰ হাত মুখস্থ আছে। জিতেন শইকীয়া এজন কাৰুশিল্পী। ঢোল, খোল, নেগেৰা, বাঁহী, দোতাৰা, গগনা, টোকাৰী আদি কাঠ ফালি বনাই বিক্ৰীও কৰে। এনে সামগ্ৰীৰ পৰা উপাৰ্জন হয়। অৱশ্যে ব্যৱসায়িক ভিত্তিত কৰিব পৰা নাই মূলধনৰ অভাৱত। গ্ৰন্থ অধ্যয়নতো তেওঁৰ ৰাপ আছে। কিতাপ-আলোচনী কিনি পঢ়ে। "অসমীয়া আলোচনী আমি কিনি নপঢ়িলে কোনে পঢ়িব?" তেওঁৰ মন্তব্য।

তেওঁ পাঁচজনীয়া দল এটা গঠন কৰিছে। দেহবিচাৰৰ গীত, টোকাৰীগীত, নেগেৰা নাম, ঢোলবাদ্য আদি পৰিৱেশন কৰে। এনেধৰণেও দুপইচা উপাৰ্জন হয়। কিন্তু নিজৰ প্ৰতিভা বিকাশৰ উৎকৰ্ষ সাধনৰ মঞ্চ এখন নাই বুলি তেওঁ ভাবে। ধনৰ অভাৱত আগবাঢ়িবও পৰা নাই।